**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-05-2026 **Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

***::::::::::::::::::::::::::::::::::::::::::***

১। নিৰ্বাচন আয়োগে অসম, পশ্চিমবংগ, কেৰালা, তামিলনাডু আৰু পুডুচেৰীত নতুন বিধানসভা গঠনৰ বাবে অধিসূচনা জাৰি কৰিছে।

২। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সাংবিধানিক নিয়ম ৰক্ষা কৰি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ওচৰত পদত্যাগ পত্ৰ দাখিল কৰিছে।

৩। বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বই অসম, পশ্চিমবংগ আৰু পুডুচেৰীত দলটোৰ বিধায়িনী দলৰ নেতা বাছনি কৰিবলৈ কেন্দ্ৰীয় পৰ্যবেক্ষক নিযুক্তি দিছে।

৪। তামিলনাডু বিধানসভা নিৰ্বাচনত একক সংখ্যাগৰিষ্ঠ দল হিচাপে আত্মপ্ৰকাশ কৰা টি ভি কে ৰাজ্যখনত নতুন চৰকাৰ গঠন কৰাৰ সম্ভাৱনা আছে।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি পঞ্জাব কিংছ, ছান ৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

নিৰ্বাচন আয়োগে অসম, পশ্চিমবংগ, কেৰালা, তামিলনাডু আৰু পুডুচেৰীত নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পৰিপ্ৰেক্ষিতত নতুন বিধানসভা গঠনৰ বাবে অধিসূচনা জাৰি কৰিছে। সংশ্লিষ্ট ৰাজ্যকেইখনৰ ৰাজ্যপাল আৰু উপ-ৰাজ্যপাললৈ এই অধিসূচনা জাৰি কৰা হৈছে। নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰা মতে নিৰ্বাচনী ফলাফল ঘোষণা কৰাৰ পাছত এইদৰে অধিসূচনা জাৰি কৰাটো অন্যতম সাংবিধানিক পদক্ষেপ। ইয়াৰ জৰিয়তে ৰাজ্যত বিধানসভা গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হয় বুলি সূত্ৰটোৱে প্ৰকাশ কৰে। আয়োগে কয়, যে সকলো নীতি-নিৰ্দেশনা পালন কৰি ৰাজ্যসমূহত বিধানসভা নিৰ্বাচন অনুষ্ঠিত কৰা হৈছে। সমগ্ৰ প্ৰক্ৰিয়াটো স্বচ্ছ, নিকা আৰু শান্তিপূৰ্ণভাৱে তথা সাংবিধানিক নীতি-নিয়ম ৰক্ষা কৰি ৰূপায়ণ কৰা হৈছে বুলি আয়োগে প্ৰকাশ কৰে।

০০০০০০০

অসমৰ মুখ্যমন্ত্ৰী ডঁ হিমন্ত বিশ্ব শৰ্মাই সাংবিধানিক নিয়ম ৰক্ষা কৰি আজি লোকভৱনত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ওচৰত পদত্যাগ পত্ৰ দাখিল কৰে। ৰাজ্যপালগৰাকীয়ে ডঁ শৰ্মাক নতুন মন্ত্ৰীসভা গঠন নোহোৱা পৰ্যন্ত কাৰ্যভাৰ চলাই যাবলৈ পৰামৰ্শ দিয়ে। ইয়াৰ লগতে ৰাজ্যপালে অসম বিধানসভা ভংগ কৰে। মুখ্যমন্ত্ৰীগৰাকীৰ সৈতে ডাঃ ৰণোজ পেগু আৰু মানৱ ডেকা উপস্থিত থাকে। সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যপালগৰাকীৰ সৈতে হোৱা সাক্ষাৎকালত বিগত পাঁচ বছৰত শ্ৰী আচাৰ্যই ৰাজ্য চৰকাৰৰ

কাম-কাজৰ ক্ষেত্ৰত আগবঢ়োৱা সমৰ্থন আৰু মাৰ্গ দৰ্শনৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছে বুলি উল্লেখ কৰে। অহা ১১ মে'ৰ পূৰ্বে বিজেপি বিধায়িনী দলৰ বৈঠক অনুষ্ঠিত হ'ব আৰু ইয়াৰ পাছত মন্ত্ৰীসভাৰ শপত গ্ৰহণ কাৰ্যসূচী অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

**-বাইট-(চি এম)**

ইয়াৰ আগেয়ে অসম বিধানসভা নিৰ্বাচনৰ মুঠ ১২৬টা সমষ্টিত জয়লাভ কৰা প্ৰাৰ্থীসকলৰ সম্পূৰ্ণ তালিকাখন ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক আনুষ্ঠানিকভাৱে অৰ্পণ কৰে। গোৱেলৰ নেতৃত্বত এটা দলে ৰাজ্যপালক সাক্ষাৎ কৰি ১২৬ জনীয়া অসম বিধানসভাৰ নৱনিৰ্বাচিত সদস্যসকলৰ তালিকাখন দাখিল কৰে। জনপ্ৰতিনিধিৰ এই তালিকা লাভৰ পাছতে ৰাজ্যপালে নতুন চৰকাৰ গঠন কৰাৰ বাবে সংখ্যাগৰিষ্ঠ দলটোক শপত গ্ৰহণৰ বাবে আনুষ্ঠানিকভাৱে আমন্ত্ৰণ জনাব। স্বাভাৱিকতে ৰাজ্যপালৰ এই আমন্ত্ৰণ ভাৰতীয় জনতা পাৰ্টিয়ে লাভ কৰিব। উল্লেখযোগ্য যে এইবাৰ নিৰ্বাচনত বিজেপিয়ে অকলেই মুঠ ৮২ খন আসন লাভ কৰিছে। আনহাতে এন ডি এ মিত্ৰজোঁটৰ সহযোগী অগপ আৰু বিপিএফে ১০ খনকৈ আসন লাভ কৰিছে।

শপত গ্ৰহণক লৈ প্ৰস্তুতি চলি থকাৰ মাজতে বিধানসভা সচিবালয়ে অহা ১৮ মে'ৰ পৰা অসম বিধানসভাৰ অধিবেশন অনুষ্ঠিত হোৱাৰ সম্ভাৱনাৰ কথা উল্লেখ কৰিছে। যোড়শ অসম বিধানসভা গঠনৰ বাবে তিনিদিনীয়াকৈ হ'বলগীয়া এই অধিবেশনত সকলো নৱনিৰ্বাচিত বিধায়ক-বিধায়িকাই শপত ল'ব। ইয়াৰ পূৰ্বে ৰাজ্যপালে অস্থায়ী অধ্যক্ষ এগৰাকীক শপতবাক্য পাঠ কৰোৱাব আৰু সেই অধ্যক্ষগৰাকীয়ে বিধানসভাত আন বিধায়ক-বিধায়িকাসকলক শপতবাক্য পাঠ কৰোৱাব।

০০০০০০০

বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বই অসম, পশ্চিমবংগ আৰু পুডুচেৰীত দলটোৰ বিধায়িনী দলৰ নেতা বাছনি কৰিবলৈ কেন্দ্ৰীয় পৰ্যবেক্ষক নিযুক্তি দিছে। অসমত মন্ত্ৰী জে পি নাড্ডাক পৰ্যবেক্ষক আৰু হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়াব সিং ছাইনীক সহ-পৰ্যবেক্ষক হিচাপে নিযুক্ত কৰিছে। পশ্চিমবংগত গৃহমন্ত্ৰী অমিত শ্বাহক কেন্দ্ৰীয় পৰ্যবেক্ষক আৰু ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিক সহ-পৰ্যবেক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। একেদৰে পুডুচেৰীত কেন্দ্ৰীয় মন্ত্ৰী ডঃ মনসুখ মন্দাভিয়া আৰু পুডুচেৰীৰ বিজেপি তত্বাৱধায়ক নিৰ্মল কুমাৰ চুৰানাক পৰ্যবেক্ষক হিচাপে নিযুক্তি দিয়া হৈছে।

০০০০০০০

তিনিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ অহা ভিয়েটনামৰ ৰাষ্ট্ৰপতি ট' লামক আজি ৰাষ্ট্ৰপতি ভৱনত আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁক আদৰণি জনায়। এই কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেল, অশ্বিনী বৈষ্ণৱ আৰু ডঃ জিতেন্দ্ৰ সিং উপস্থিত থাকে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ভিয়েটনামৰ ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে বৈঠকত মিলিত হ'ব। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কৰ লগতে পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰিব।

ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে ভিয়েটনাম চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰী আৰু জ্যেষ্ঠ বিষয়াৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলৰ লগতে এটা শক্তিশালী ব্যৱসায়িক প্ৰতিনিধিৰ দলো আহিছে। যোৱা মাহত ভিয়েটনামৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱাৰ পাছত ট' লামৰ এয়া হৈছে হৈছে প্ৰথমটো ভাৰত ভ্ৰমণ।

ইয়াৰ পূৰ্বে কালি ৰাষ্ট্ৰপতিগৰাকীয়ে বিহাৰৰ বৌদ্ধগয়া ভ্ৰমণ কৰি বাহবৌধি মন্দিৰত প্ৰাৰ্থনা কৰে। ভিয়েটনামী মঠতো তেওঁ বিভিন্ন ধৰ্মীয় আৰু সাংস্কৃতিক কাৰ্যসূচীত অংশগ্ৰহণ কৰে। তেওঁ আজি ৰাজঘাটলৈ গৈ মহাত্মা গান্ধীৰ সমাধিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী মোদী আৰু ভিয়েটনামৰ ৰাষ্ট্ৰপতিগৰাকীৰ মাজত হোৱা বৈঠকৰ অন্তত কেইবাখনো বুজাবুজিৰ চুক্তি স্বাক্ষৰ আৰু বিনিময় কৰা হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি সন্ধিয়া ট' লামৰ সৈতে ৰাষ্ট্ৰপতি ভৱনত এখন বৈঠকত মিলিত হ'ব। লোকসভাৰ অধ্যক্ষ ওম বিৰলায়ো তেওঁক সাক্ষাৎ কৰিব। শ্ৰীলামে আজি ভাৰতীয় বিশ্ব পৰিক্ৰমা পৰিষদৰ উদ্যোগত অনুষ্ঠিত ৫৬ সংখ্যক চাপ্ৰু হাউছ বক্তৃতাও প্ৰদান কৰিব।

০০০০০০০

তামিলনাডু বিধানসভা নিৰ্বাচনত একক সংখ্যাগৰিষ্ঠ দল হিচাপে আত্মপ্ৰকাশ কৰা টি ভি কে ৰাজ্যখনত নতুন চৰকাৰ গঠনৰ দাবী কৰাৰ সম্ভাৱনা আছে। দলটোৱে আজি প্ৰকাশ কৰে যে, তেওঁলোকৰ নেতা জোচেফ বিজয়ে ৰাজ্যপাল বিশ্বনাথ আৰ্লেকাৰক সাক্ষাৎ কৰি ৰাজ্যখনত নতুন চৰকাৰ গঠনৰ বাবে দাবী উত্থাপন কৰিব। উল্লেখযোগ্য যে, তামিলনাডু বিধানসভাত সংখ্যাগৰিষ্ঠতা লাভ কৰিবলৈ দলটোক আৰু দহজনৰো অধিক বিধায়কৰ সমৰ্থনৰ প্ৰয়োজন।

০০০০০০০

মধ্যপ্ৰদেশ, ৰাজস্থান, উত্তৰ প্ৰদেশ, কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ আৰু তেলেংগানাৰ ১৯খন জিলা সামৰি ৰে'ল প্ৰকল্পৰ মন্ত্ৰী সভাৰ অনুমোদনক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আদৰণি জনায়। সামাজিক মাধ্যমত প্ৰধানমন্ত্ৰী মোদীয়ে ধাৰাবাহিকভাবে প্ৰকাশ কৰিছে যে এই প্ৰকল্পসমূহে সংযোগ বৃদ্ধি আৰু কাৰ্যকৰী দক্ষতা উন্নত কৰাৰ লগতে দেশৰ আন্তঃগাঁথনি আৰু অৰ্থনৈতিক বিকাশত সহায় কৰিব। প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে এই প্ৰকল্পসমূহে দেশৰ গুৰুত্বপূৰ্ণ পৰ্যটন স্থানসমূহলৈ যোগাযোগ ব্যৱস্থা অধিক উন্নতি সাধন কৰিব। শ্ৰীমোদীয়ে উচ্চতম ন্যায়ালয়ত ন্যায়াধীশৰ সংখ্যা ৩৩ৰ পৰা ৩৭ লৈ বৃদ্ধি কৰা কেবিনেটৰ সিদ্ধান্তকো শলাগ লয়। এই সিদ্ধান্তৰ দ্বাৰা দেশৰ ন্যায়িক আন্তঃগাঁথনি শক্তিশালী কৰিব আৰু জনসাধাৰণৰ বাবে ক্ষিপ্ৰ ন্যায় প্ৰদান নিশ্চিত কৰিব।

০০০০০০০

পঞ্জাবত কালি সন্ধিয়া জলন্ধৰৰ সীমান্ত সুৰক্ষা বাহিনীৰ সীমান্ত মুখ্য কাৰ্যালয়ৰ মূলদ্বাৰৰ সমীপত সংঘটিত বিস্ফোৰণে অঞ্চলটোত আতংক আৰু উদ্বেগ সৃষ্টি কৰিছে। এটা অনলাইন সামগ্ৰী ডেলিভাৰী কোম্পানীত কৰ্মৰত ডেলিভাৰী বয় এজনে বি এছ এফৰ কৰ্মীক সামগ্ৰী দিবলৈ অহাৰ সময়তে এই ঘটনা সংঘটিত হয়। ডেলিভাৰী বয়জনে স্কুটি লৈ ওভতাৰ সময়তে বিস্ফোৰণ ঘটে আৰু বিস্ফোৰণৰ ফলত স্কুটিখনৰ লগতে ওচৰৰ কিছু খুঁটাও ক্ষতিগ্ৰস্ত হয়। ডেলিভাৰী বয়জন সামান্যভাবে আঘাতপ্ৰাপ্ত হয়। ইয়াৰ পাছতে আৰক্ষীয়ে সমগ্ৰ অঞ্চলটো ঘেৰাও কৰি তন্ন তন্ন কৈ পৰীক্ষা কৰে। তদন্তৰ তদাৰকী বিষয়া আৰক্ষী আয়ুক্ত ধনপ্ৰীত কৌৰে কয়, যে সমগ্ৰ ঘটনাৰ তদন্ত অব্যাহত আছে আৰু ডেলিভাৰী বয়জনেও আৰক্ষীক সহযোগিতা কৰিছে।

০০০০০০০

আই পি এল ক্রিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া এখন খেলত পঞ্জাব কিংছ, ছান ৰাইজার্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত কালি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত চেন্নাই ছুপাৰ কিংছে দেলহী কেপিটেলছ ৮ উইকেটত পৰাস্ত কৰে।

ooooooo

সমাপ্ত